7. তলৰ চিত্ৰবোৰৰ ৰং কৰা অংশক শতাংশত প্ৰকাশ কৰা—

(i)



(ii)



(iii)



8. শতাংশত প্ৰকাশ কৰা—
   (i) 1 দিনৰ 8 ঘণ্টা  (ii) 80 জনৰ 72 জন  (iii) 5 টকাৰ 25 পইচা

9. মান নিৰ্ণয় কৰা—
   (i) 50 ৰ 20%  (ii) 600 টকাৰ 30%  (iii) 5 কিলোমিটাৰৰ 20%
   (iv) 1 ঘণ্টাৰ 30%

10. এটা সংখ্যাৰ 20% ৰ মান 50 হ'লে সংখ্যাটো নিৰ্ণয় কৰা।

11. কি সংখ্যাৰ 13% ৰ মান 91 হ'ব?

12. 40 টকাৰ কিমান শতাংশৰ মান 16 টকা হ'ব?

13. “40 ৰ ভিতৰত 30” আৰু “50 ৰ ভিতৰত 40” দুয়োটাকে শতাংশত প্ৰকাশ কৰা। দুয়োটাৰ কোনটো বেছি?

14. এখন বাগিছাৰ কালি 400 বৰ্গমিটাৰ। তলত দিয়া ধৰণে বাগিছাখন সজোৱা হৈছে।
   i) ফুলৰ বাবে বাগিছাখনৰ 30% ঠাই ৰখা হৈছে।
      ফুল থকা ঠাইৰ কালি উলিওৱা।
   ii) বাগিছাখনত থকা পুখুৰী এটাৰ কালি 80 বৰ্গমিটাৰ।
      বাগিছাখনৰ কিমান শতাংশ পুখুৰীটোৱে আগুৰি আছে।

## 8.11 শতকৰা বৃদ্ধি বা হ্ৰাস ঃ

কেতিয়াবা আমি কোনো পৰিমাণৰ বৃদ্ধি বা হ্ৰাসক শতকৰা হাৰত জনাৰ প্ৰয়োজন হয়। উদাহৰণস্বৰূপে, এখন জিলাৰ জনসংখ্যা এটা দশকত 2,50,000 ৰ পৰা 3,50,000 লৈ বৃদ্ধি হয়, যদি সংখ্যাৰ পৰিৱৰ্তে 40% বৃদ্ধি হৈছে বুলি কোৱা হয় তেতিয়া বুজিবলৈ বেছি সহজ হয়। নিৰ্দিষ্ট পৰিমাণৰ হ্ৰাস বা বৃদ্ধিক আমি শতকৰা হাৰলৈ কেনেকৈ পৰিৱৰ্তন কৰিম চাওঁ আহা—

বৃদ্ধিৰ শতকৰা হাৰ $= \dfrac{\text{পৰিমাণৰ পৰিৱৰ্তন}}{\text{মূল পৰিমাণ}} \times 100\%$

$= \dfrac{\text{বৃদ্ধিৰ পৰিমাণ}}{\text{যাৰ পৰিমাণৰ লগত তুলনা কৰা হৈছে}} \times 100\%$

$= \dfrac{(3,50,000 - 2,50,000)}{2,50,000} \times 100\%$

$= \dfrac{1,00,000}{2,50,000} \times 100\%$

$= 40\%$

**উদাহৰণ 1 ঃ** ৰয়েলে 80,000 টকাৰে এটা ব্যৱসায় আৰম্ভ কৰিলে। এবছৰৰ পিছত তেওঁৰ হাতত 1,20,000 টকা হ'লগৈ। বাঢ়ি যোৱা টকাৰ শতকৰা হাৰ কিমান?

**সমাধান ঃ** বৃদ্ধিৰ শতৰৰা হাৰ $= \dfrac{\text{পৰিমাণৰ পৰিৱৰ্তন}}{\text{মূল পৰিমাণ}} \times 100\%$

$= \dfrac{\text{বৃদ্ধিৰ পৰিমাণ}}{\text{যাৰ পৰিমাণৰ লগত তুলনা কৰা হৈছে}} \times 100\%$

$= \dfrac{(1,20,000 - 80,000)}{80,000} \times 100\%$

$= \dfrac{40,000}{80,000} \times 100\%$

$= 50\%$

**উদাহৰণ 2 ঃ** (i) 2400 টকা 2000 টকাতকৈ কিমান শতাংশ বেছি?

(ii) 2000 টকা 2400 টকাতকৈ কিমান শতাংশ কম?

**সমাধান (i) ঃ** বৃদ্ধিৰ পৰিমাণ = 2400 টকা – 2000 টকা

= 400 টকা

$\therefore$ শতকৰা বৃদ্ধি $= \dfrac{\text{বৃদ্ধিৰ পৰিমাণ}}{\text{মূল পৰিমাণ}} \times 100\%$

$= \dfrac{400}{2000} \times 100\%$

$= 20\%$

(ii) হ্রাসৰ পৰিমাণ = 2400 টকা − 2000 টকা
= 400 টকা

$$\therefore \text{ শতকৰা হ্ৰাস } = \frac{\text{হ্ৰাসৰ পৰিমাণ}}{\text{মূল পৰিমাণ}} \times 100\%$$

$$= \frac{400}{2400} \times 100\%$$

$$= \frac{50}{3}\% = 16{\cdot}67\%$$

**উদাহৰণ 3 ঃ** যোৱা পাঁচটা বছৰত এখন দেশত অশিক্ষিত লোকৰ সংখ্যা 180 লাখৰ পৰা 130 লাখলৈ হ্ৰাস পায়। হ্ৰাস হোৱাৰ শতকৰা হাৰ কিমান?

**সমাধান ঃ** মূল পৰিমাণ = আৰম্ভণিতে অশিক্ষিত মানুহৰ সংখ্যা
= 180 লাখ

পৰিমাণৰ পৰিৱৰ্তন = অশিক্ষিত মানুহৰ সংখ্যাৰ হ্ৰাস
= (180 − 130) লাখ = 50 লাখ

$$\therefore \text{ হ্ৰাসৰ শতকৰা হাৰ } = \frac{\text{পৰিমাণৰ পৰিৱৰ্তন}}{\text{মূল পৰিমাণ}} \times 100\%$$

$$\frac{50}{180} \times 100\% = 27{\cdot}77\%$$

## 8.12 লাভ-লোকচানত শতাংশৰ ব্যৱহাৰ ঃ

কোনো এটা বস্তুৰ কিনা দামক বস্তুটোৰ কিনাদাম বুলি কোৱা হয়। ইয়াক CP (Cost Price) ৰে লিখা হয়। বস্তুটো যি দামত বেচা হয় তাক বস্তুটোৰ বেচাদাম বুলি কোৱা হয়। ইয়াক SP (Selling Price) ৰে লিখা হয়।

দোকানী এজনে যিকোনো বস্তু এটা 100 টকাত কিনি আনি যদি 120 টকাত বিক্ৰী কৰে তেন্তে দোকানীজনৰ 20 টকা লাভ (Profit) হ'ব। অৰ্থাৎ যদি বেচাদাম কিনাদামতকৈ বেছি হয় তেন্তে 'বেচাদাম– কিনাদাম' এই পাৰ্থক্যটোক লাভ বুলি কোৱা হয়।

একেদৰে দোকানী এজনে যিকোনো বস্তু এটা 100 টকাত কিনি আনি যদি 70 টকাত বিক্ৰী কৰে তেন্তে দোকানীজনৰ 30 টকা লোকচান (Loss) হ'ব। অৰ্থাৎ যদি বেচাদাম কিনাদাম তকৈ কম হয় তেন্তে 'কিনাদাম – বেচাদাম' এই পাৰ্থক্যটোক লোকচান বুলি কোৱা হয়।

| |
|---|
| যদি কিনাদাম < বেচাদাম, তেন্তে লাভ = বেচাদাম − কিনাদাম |
| যদি কিনাদাম = বেচাদাম, তেন্তে একো লাভ বা লোকচান নহ'ব |
| যদি কিনাদাম > বেচাদাম, তেন্তে লোকচান = কিনাদাম − বেচাদাম |

এতিয়া তলৰ তালিকাখন সম্পূৰ্ণ কৰোঁ আহাঁ—

| ক্ৰ.নং | কিনাদাম (টকা) (CP) | বেচাদাম (টকা) (SP) | লাভ (টকা) (Profit) | লোকচান (টকা) (Loss) |
|---|---|---|---|---|
| (i) | 375 | 325 | —— | —— |
| (ii) | 1200 | 1325 | —— | —— |
| (iii) | 430 | —— | 25 | —— |
| (iv) | 430 | —— | —— | 25 |
| (v) | —— | 140 | —— | 20 |
| (vi) | —— | 140 | 20 | —— |

লাভ বা লোকচানক শতকৰা হাৰলৈ পৰিবৰ্তন কৰিব পাৰি। লাভ বা লোকচান সদায় কিনাদামৰ ভিত্তিত নিৰ্ণয় কৰা হয়। তলৰ উদাহৰণটোলৈ মন কৰোঁ আহাঁ—

যদি এটা কলমৰ কিনাদাম 50 টকা আৰু বিক্ৰী কৰা দাম 60 টকা হয়, তেন্তে লাভ হ'ব 60–50 =10 টকা।

$\therefore$ লাভৰ শতকৰা হাৰ $= \frac{\text{লাভ}}{\text{কিনাদাম}} \times 100\%$

$= \frac{10}{50} \times 100\% = 20\%$

**মনত ৰাখিবা ঃ**

লাভৰ শতাংশ $= \frac{\text{লাভ}}{\text{কিনাদাম}} \times 100\%$

অথবা লাভৰ শতাংশ $= \frac{\text{বেচাদাম} - \text{কিনাদাম}}{\text{কিনাদাম}} \times 100\%$, বেচাদাম >কিনাদাম

একেদৰে—

লোকচানৰ শতাংশ $= \frac{\text{লোকচান}}{\text{কিনাদাম}} \times 100\%$

অথবা লোকচানৰ শতাংশ $= \frac{\text{কিনাদাম} - \text{বেচাদাম}}{\text{কিনাদাম}} \times 100\%$, কিনাদাম > বেচাদাম

তলৰ উদাহৰণকেইটা মন কৰা ঃ

**উদাহৰণ 1 ঃ** এটা ঘড়ী 800 টকাত কিনি 952 টকাত বিক্ৰী কৰা হ'ল।

(i) লাভ কিমান হ'ল?

(ii) শতকৰা লাভ কিমান হ'ল?

**সমাধান ঃ**

(i) লাভ = বেচাদাম — কিনাদাম

= (952 – 800) টকা

= 152 টকা

(ii) শতকৰা লাভ $= \frac{152}{800} \times 100\% = \frac{152}{8}\% = 19\%$

**উদাহৰণ 2 ঃ** এটা বলৰ কিনাদাম 150 টকা। যদি দোকানীজনে 10% লোকচানত বেচে তেন্তে বলটো কিমান দামত বেচিলে?

**সমাধান ঃ**

দিয়া আছে, কিনাদাম = 150 টকা

লোকচানৰ শতাংশ = 10%

আমি বেচাদাম উলিয়াব লাগে

কিনাদামৰ 10% লোকচান হয়

অৰ্থাৎ 150 টকাৰ 10% $= \left(150 \times \frac{10}{100}\right)$ টকা = 15 টকা

∴ বেচাদাম = কিনাদাম – লোকচান (লোকচান = কিনাদাম – বেচাদাম)

= (150 – 15) টকা = 135 টকা

**উদাহৰণ 3 ঃ** এটা পুতলাৰ বিক্ৰীমূল্য 480 টকা। যদি দোকানীজনে 20% লাভ কৰে তেতিয়া পুতলাটোৰ কিনাদাম কিমান হ'ব?

**সমাধান ঃ**

দিয়া আছে, বেচাদাম = 480 টকা আৰু লাভৰ শতাংশ = 20%

আমি কিনাদাম উলিয়াব লাগে

লাভ = কিনাদাম ৰ 20% = কিনাদাম $\times \frac{20}{100}$ = কিনাদাম $\times \frac{1}{5}$

আমি জানো,

বেচাদাম – কিনাদাম = লাভ

∴ বেচাদাম = লাভ + কিনাদাম

$$= \text{কিনাদাম ৰ } 20\% + \text{কিনাদাম}$$

$$= \text{কিনাদাম } \times \frac{1}{5} + \text{কিনাদাম}$$

$$= \text{কিনাদাম } \left(1 + \frac{1}{5}\right)$$

অৰ্থাৎ, $540 = \text{কিনাদাম} \times \frac{6}{5}$

$\therefore$ কিনাদাম $= 540 \times \frac{5}{6} = 450$

$\therefore$ পুতলাটোৰ কিনাদাম = 450 টকা

## 8.13 সৰল সুত ঃ

বিভিন্ন প্ৰয়োজনত মানুহে বেলেগ বেলেগ উৎস বা বেংকৰ পৰা টকা ধাৰে লয়। এনেদৰে লোৱা ধাৰ বা ঋণ পৰিশোধ কৰাৰ সময়ত ধাৰে লোৱা টকাখিনিৰ লগত নিৰ্দিষ্ট হাৰত আৰু কিছু টকা দিবলগীয়া হয়। এই ওপৰঞ্চি টকাখিনিকেই **সুত** বোলে।

**এটা উদাহৰণ চাওঁ আহা ঃ**

এজন মানুহে 50,000 টকা এবছৰৰ কাৰণে বেংকত জমা ৰাখিলে। এবছৰৰ পিছত মানুহজনে 50,000 টকাৰ ওপৰঞ্চি 2,000 টকা অৰ্থাৎ মুঠ 52,000 টকা লাভ কৰিলে।

এইক্ষেত্ৰত 50,000 টকাটো হ'ল মূলধন আৰু 2,000 টকাটো 50,000 টকাৰ ওপৰত এবছৰৰ সুত। আকৌ 52,000 টকাটোক একেলগে **সুতমূল** অথবা **সবৃদ্ধিমূল** বুলি কোৱা হয়। টকা জমা ৰখা বা ধাৰে লোৱা দিনৰ পৰা ঘূৰাই পোৱা বা পৰিশোধ কৰা দিনলৈ এই সময়খিনিক **সুতৰ সময়** বোলা হয়।

অকল টকা ধাৰ ল'লেহে যে সুত দিব লাগে এনেকুৱা নহয়, বেংকত টকা জমা থ'লেও বেংকৰ পৰা সুত পোৱা যায়। লাভজনক সুতৰ কাৰণে আজিকালি মানুহে, পোষ্ট অফিচ (Post Office), Mutual Fund, বিভিন্ন বেংকৰ Fixed Deposit আদিত টকা খটুৱায়।

### 8.13.1 সুতৰ হাৰ ঃ

টকা জমা থোৱা বা টকা ধাৰ লোৱাৰ ক্ষেত্ৰত সুতৰ বন্দোৱস্ত থাকে। সচৰাচৰ এনে বন্দোৱস্ত 100 টকাৰ ওপৰত 1 বছৰৰ বাবে হয় আৰু এই হাৰত মূলধন আৰু সুতৰ সময়ৰ ওপৰত ভিত্তি কৰি সুতৰ পৰিমাণ নিৰ্ণয় কৰা হয়। এই 100 টকাৰ 1 বছৰৰ সুতক **শতকৰা বছৰি সুতৰ হাৰ** বা **শতাংশ সুত** বুলিও কোৱা হয়।

শতকৰা বছৰি 5 টকা সুত বুলিলে আমি বুজিব লাগিব যে 100 টকাৰ 1 বছৰৰ সুত 5 টকা অথবা আমি বুজিম সুতৰ হাৰ = 5%

ওপৰৰ উদাহৰণত 50,000 টকাৰ 1 বছৰৰ সুত আছিল 2,000 টকা। গতিকে 100 টকাৰ 1 বছৰৰ সুত হ'ব —

$$= \left(\frac{2000}{50000} \times 100\right) \text{ টকা} = 4 \text{ টকা}$$

গতিকে সেইক্ষেত্ৰত সুতৰ হাৰ = 4%

**মন কৰিবা ঃ**

> কেতিয়াবা সুত 6 মাহৰ বা 3 মাহৰ মূৰে মূৰেও গণনা কৰা হয়। 3 মাহ বা 6 মাহৰ কথা উল্লেখ নাথাকিলে সুতৰ গণনা এবছৰীয়া বুলি ধৰিব লাগে।

**এটা উদাহৰণ লওঁ আহা ঃ**

অমলে বছৰি 20% সুতৰ হাৰত 6000 টকা ধাৰলৈ ল'লে। তেওঁ এবছৰৰ শেষত দিব লগা সুতৰ পৰিমাণ উলিওৱা।

**সমাধান ঃ** ধাৰলৈ লোৱা ধন = 6000 টকা

সুতৰ হাৰ প্ৰতি বছৰত = 20%

অৰ্থাৎ 100 টকাৰ 1 বছৰৰ সুত = 20 টকা

$\therefore$ 1 টকাৰ 1 বছৰৰ সুত $= \frac{20}{100}$ টকা

$\therefore$ 6000 টকাৰ 1 বছৰৰ সুত= $\frac{20}{100} \times 6000$ টকা = 1200 টকা

এতেকে বছৰৰ শেষত অমলে দিব লগা টকা

$= 6000 + 1200 = 7200$ টকা

**আমি এটা বছৰৰ সুত উলিয়াবৰ বাবে তলৰ সম্বন্ধটো ব্যৱহাৰ কৰি সমাধান কৰিব পাৰো—**

ধৰাহ'ল মূলধন বা ধাৰ লোৱা ধন P আৰু R% প্ৰতি বছৰৰ সুতৰ শতাংশৰ হাৰ—

100 টকাৰ 1 বছৰৰ সুত R টকা

$\therefore$ 1 টকাৰ 1 বছৰৰ সুত $= \frac{R}{100}$ টকা

$\therefore$ P টকাৰ 1 বছৰৰ সুত $= \frac{R}{100} \times P$ টকা

$= \frac{P \times R}{100}$ টকা

**একাধিক বছৰৰ সুত ঃ**

ওপৰৰ উদাহৰণটোত অমলে ধাৰ লোৱা 6000 টকাৰ 20% সুতৰ হাৰত এবছৰত দিব লগা সুতৰ পৰিমাণ আছিল—

$$\frac{20}{100}\times 6000 = 1200 \text{ টকা}$$

এতিয়া অমলে সেই টকাখিনি দুবছৰৰ বাবে ধাৰ ল'লে তেওঁ দিবলগীয়া সুত—

$$= 2\times 1200 \text{ টকা} = 2400 \text{ টকা}$$

একেদৰে 3 বছৰৰ বাবে ধাৰ ল'লে তেওঁ দিবলগীয়া সুতৰ পৰিমাণ—

$$= 3\times 1200 \text{ টকা} = 3600 \text{ টকা}$$

এইদৰে মূলধনৰ পৰিৱৰ্তন নকৰাকৈ সুত গণনা কৰাকে **সৰল সুত** বুলি কোৱা হয়। যিমানেই বছৰৰ সংখ্যা বৃদ্ধি হয় সিমানেই সুতৰ পৰিমাণ বাঢ়ি যায়।

**আমি এবছৰতকৈ বেছি বছৰৰ সুত নিৰ্ণয় কৰিবলৈ তলৰ সাধাৰণ সম্বন্ধটো উলিয়াব পাৰো ঃ**

P মূলধনৰ R% সুতৰ হাৰত T বছৰত দিব লগা সুত—

100 টকাৰ 1 বছৰৰ সুত R টকা

$$\therefore \quad 1 \text{ টকাৰ 1 বছৰৰ সুত} = \frac{R}{100} \text{ টকা}$$

$$\therefore \quad P \text{ টকাৰ 1 বছৰৰ সুত} = \frac{R}{100}\times P \text{ টকা}$$

$$\therefore \quad P \text{ টকাৰ T বছৰৰ সুত} = \frac{P\times R\times T}{100} \text{ টকা}$$

$$I = \frac{P\times R\times T}{100} \text{ বা } I = \frac{PRT}{100}$$

T বছৰৰ শেষত দিবলগা ধনৰ পৰিমাণ—

সুতমূল বা সবৃদ্ধিমূল $A = P + I$

সুত দুই প্ৰকাৰৰ আছে। সৰল সুত (Simple Interest) আৰু চক্ৰবৃদ্ধি সুত (Compound Interest)। এই পাঠটিত আমি সৰল সুতৰ কথাহে আলোচনা কৰিছোঁ। সুত বুলিলে ইয়াত সৰল সুতহে বুজাব। পৰৱৰ্তী শ্ৰেণীত তোমালোকে চক্ৰবৃদ্ধি সুতৰ বিষয়ে শিকিবলৈ পাবা।

**উদাহৰণ 1 ঃ** শতকৰা বছৰি 5 টকা সুতৰ হাৰত 840 টকাৰ 5 বছৰৰ সুত নিৰ্ণয় কৰা।

**সমাধান ঃ**

ইয়াত মূলধন $P = 840$ টকা

সুতৰ হাৰ $R = 5$

সুতৰ সময় $T = 5$ বছৰ

$$\therefore \text{ নিৰ্ণেয় সৰল সুত } I = \frac{P\times R\times T}{100} = \frac{840\times 5\times 5}{100} = 210 \text{ টকা।}$$

**উদাহৰণ 2 ঃ** 4500 টকাৰ 2 বছৰ 6 মাহৰ সুত আৰু সবৃদ্ধিমূল উলিওৱা। সুতৰ হাৰ 15%

**সমাধান ঃ**

সুতৰ সময় = 2 বছৰ 6 মাহ

$= \left(2+\frac{6}{12}\right)$ বছৰ $= \frac{5}{2}$ বছৰ

মূলধন P = 4500 টকা

সুতৰ হাৰ R = 5

∴ সৰল সুত $I = \frac{P \times R \times T}{100}$

$= \frac{4500 \times 15 \times \frac{5}{2}}{100} = \frac{3375}{2}$

$= 1687{\cdot}50$ টকা।

∴ সবৃদ্ধিমূল A = P + I

$= (4500 + 1687.50)$ টকা $= 6187{\cdot}50$ টকা

## অনুশীলনী- 8.3

1. তলৰ লেনদেনবোৰত কিমান লাভ বা লোকচান হৈছে কোৱা। প্ৰত্যেক ক্ষেত্ৰতে লাভ বা লোকচানৰ শতাংশ উলিওৱা।
   a) এটা বল 300 টকাত কিনি 450 টকাত বেচিলে।
   b) এটা TV 10,000 টকাত কিনিলে আৰু 15,500 টকাত বেচিলে।
   c) এটা আলমাৰি 5,000 টকাত কিনিলে আৰু 3,500 টকাত বেচিলে।
   d) এটা চোলা 400 টকাত কিনিলে আৰু 280 টকাত বেচিলে।
2. এটা অঞ্চলৰ জনসংখ্যা 45,000 ৰ পৰা 42,000 লৈ হ্ৰাস পালে। হ্ৰাসৰ শতকৰা হাৰ উলিওৱা।
3. এখন কিতাপ 250 টকাত কিনি 190 টকাত বিক্ৰী কৰিলে। তেওঁৰ লাভ বা লোকচানৰ শতকৰা হাৰ কিমান?
4. ৰোহণে এটা টি.ভি. 10,500 টকাত কিনিলে আৰু 30% লাভত বেচিলে। টি.ভিটোৰ বেচাদাম নিৰ্ণয় কৰা।
5. সুমনাই এখন গাড়ী 2,50,000 টকাত কিনি 2,30,000 টকাত বিক্ৰী কৰিলে। তেওঁৰ লাভ বা লোকচানৰ শতকৰা হাৰ কিমান?
6. 15% লাভ কৰি এখন মটৰ চাইকেল 23,000 টকাত বেচিলে। মটৰ চাইকেলখনৰ কিনাদাম কিমান?
7. ৰতনে এটা আলমাৰি 6,250 টকাত কিনি 24% লোকচানত বিক্ৰী কৰিলে। আলমাৰিটোৰ বিক্ৰীমূল্য কিমান?
8. শতকৰা বছৰি 8 টকা সুতত 5000 টকাৰ 3 বছৰৰ সুত নিৰ্ণয় কৰা।

9. ডালিমীয়ে এবছৰৰ বাবে বছৰি 5% হাৰত 120 টকা সুত দিয়ে। তেওঁ কিমান টকা ধাৰলৈ লৈছিল?

10. 1,25,000 টকাৰ 10% সুতৰ 1 বছৰ 6 মাহৰ সুত উলিওৱা।

11. শতকৰা বছৰি 12 টকা সুতত 1500 টকাৰ 2 বছৰ 9 মাহৰ সুত আৰু সবৃদ্ধিমূল উলিওৱা।

## আমি কি শিকিলোঁ

1. দুটা পৰিমাণ (যেনে ঃ উচ্চতা, ওজন, দূৰত্ব, নশ্বৰ ইত্যাদি)ৰ তুলনা কৰিবলৈ, তুলনা কৰা এককবোৰ একেই হ'ব লাগে।

2. দুটা অনুপাত সমতুল্য হ'বলৈ অনুপাত দুটাক সদৃশ ভগ্নাংশলৈ পৰিৱৰ্তন কৰি তুলনা কৰা হয়।

3. পৰিমাণ তুলনা কৰা আন এটা উপায় হৈছে শতকৰা হাৰ। শতকৰা হাৰ হৈছে 100 হৰ বিশিষ্ট ভগ্নাংশৰ লব।

4. ভগ্নাংশক শতাংশলৈ পৰিৱৰ্তন কৰিব পাৰি আৰু শতাংশক ভগ্নাংশলৈ পৰিৱৰ্তন কৰিব পাৰি।

5. দশমিক সংখ্যাক শতাংশলৈ আৰু বিপৰীতভাৱে শতাংশক দশমিক সংখ্যালৈ ৰূপান্তৰ কৰিব পাৰি।

6. শতাংশক অনুপাতলৈ পৰিৱৰ্তন কৰিব পাৰি।

7. বহুক্ষেত্ৰত দৈনন্দিন জীৱনত শতাংশৰ ব্যৱহাৰ কৰা হয়।

- লাভ লোকচানত শতাংশৰ ব্যৱহাৰ হয়
- নিৰ্দিষ্ট পৰিমাণৰ হ্ৰাস বা বৃদ্ধিত শতাংশৰ ব্যৱহাৰ হয়।
- ধাৰ লোৱা পৰিমাণৰ ওপৰত সুত গণনা কৰিবলৈ শতাংশৰ ব্যৱহাৰ হয়।

